জাতি হিচাপে নহয় ব্যক্তি হিচাপে জীয়াই থাকিবলৈ বা জীৱন ধাৰণ কৰিবলৈ মোৰ দেশত মানুহে আৰম্ভ কৰিলে।

মান গ'ল, ব্ৰিটিছ আহিল। মই গমেই নাপালোঁ কেতিয়া মোৰ স্বতন্ত্ৰতা হেৰাল, কেতিয়া মালিকৰপৰা চাকৰ হ'লোঁ। মোৰ দেশৰ মানুহৰ হাতত বিকল্প নাছিল। মানৰ অত্যাচাৰত সন্ত্ৰসিত অসমীয়াই ব্ৰিটিছকে অৱলম্বন কৰি সাবটি ল'লে। কাৰণ সেই সময়ত আটাইতকৈ প্ৰয়োজনীয় দুটা কথা আছিল জীৱন আৰু নিৰাপত্তা আৰু ব্ৰিটিছে এই দুয়োটা কথা সুনিশ্চিত কৰিছিল। কিন্তু মই এই প্ৰক্ৰিয়াত বহু কিবা হেৰুৱালোঁ। সাৰ্বভৌমত্ব গ'ল। বৃহৎ অসমীয়া জাতিৰ একক স্বৰূপ আৰু শক্তি গ'ল। ক্ষমতা আৰু সম্পদ গ'ল। বিদেশীৰ সাম্ৰাজ্যবাদীৰ হাতোৰাত মই বন্দী হৈ গ'লোঁ। জন-প্ৰব্ৰজন হৈ থাকিল। কিন্তু পূৰ্বৰ দৰে স্বতঃস্ফূৰ্ত তথা জীণ যোৱা নহয়। সাম্ৰাজ্যবাদীৰ স্বাৰ্থ পূৰণৰ হেতু অসমলৈ বহুজন আহিল বা বহুতক অনা হ'ল, কিন্তু বৃহত্তৰ অসমীয়া জাতি গঠনৰ হেতু থাকিব লগা পৰিৱেশ সৃষ্টিত কৌশললেৰে বাধা দি ৰখা হ'ল। কাৰোবাক বন্দীৰ দৰে ৰখা হ'ল, আৰু কাৰোবাক 'বাবু' কৰি ৰখা হ'ল। সাধাৰণ অসমীয়াই কি হ'ল কি নহ'ল বুজাৰ আগতেই বনজ আৰু খনিজ সম্পদ হোৰাহোৰে বিদেশলৈ গ'ল। চাহ উদ্যোগ গঢ়িল বিনা স্থানীয় লোকৰ সহযোগত। খণ্ড-বিখণ্ড হোৱা অসমীয়া জাতিসত্তা বা অসমীয়া জাতিয়ে চকুৰ পলকতে হোৱা পৰিৱৰ্তনক বাধা দিব পৰাৰ জ্ঞান, দক্ষতা বা বুদ্ধি সেই সময়ত নাছিল। কোনো দিন বহিৰ্বিশ্ব নেদেখা হোজা-সৰল অসমীয়া ক্ৰমে সংকুচিত হৈ আহিল। কোনো দিন ব্যৱসায়-বাণিজ্য কৰি নোপোৱা অসমীয়াই নতুন নতুন বাণিজ্য, উদ্যোগ বা আধুনিক শাসন পদ্ধতিৰ আওভাও নোপোৱা হ'ল। ভাৰতৰ বিভিন্ন ঠাইৰপৰা অবাধ প্ৰব্ৰজন হ'ল। ৰাজনৈতিক নেতৃত্বশূন্য অসমীয়াই নিৰৱে সকলোকে মানি লোৱাৰ বাহিৰে অন্য বিকল্প নাছিল। অসম আৰু অসমীয়া বিচ্ছিন্ন হৈ পৰিল। অসম বিদেশীৰ হ'ল আৰু অসমীয়া হৈ পৰিল সিঁচৰতি দৰ্শক যি একেলগে হাত তালিও দিব পৰা স্থানত বা অৱস্থাত নাছিল।

আন্ধাৰৰ মাজতে ক্ষীণ পোহৰ হৈ অসমীয়া জাতীয়তাবাদৰ পুনৰ অংকুৰণ ঘটিল আনন্দৰাম ঢেকিয়াল ফুকন, লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতি-বিষ্ণু আদিৰ প্ৰচেষ্টাত। ভাৰতবৰ্ষৰ স্বাধীনতাৰ আন্দোলনো আৰম্ভ হ'ল। অসমীয়া জাতিসত্তাৰ পুনঃসংগঠনৰ এটা সুযোগ আহিল। ভাৰত স্বাধীন হ'ল। ইতিহাসৰ বিভিন্ন পৰিক্ৰমাৰে অসম ভাৰতৰ অংগৰাজ্য হ'ল। কিন্তু মোৰ অসম দেশৰ ভাগ্য পৰিৱৰ্তন নহ'ল। ব্ৰিটিছৰ পৰিৱৰ্তে স্বাধীনতাৰ পৰৱৰ্তী কালত দিল্লীৰ শোষণৰ বলি হ'ল। এফালে সম্পদৰ শোষণ, আনফালে অবাধ প্ৰব্ৰজন। ৰাজনীতিৰ চৰিত্ৰ সলনি হ'ল। ভোটৰ ৰাজনীতি আৰু ভোট বেংক সুৰক্ষাৰ প্ৰশ্ন আহিল। ফলত জাতীয়তাবোধ বা জাতীয় প্ৰশ্নৰ পৰিৱৰ্তে ৰাজনৈতিক দলৰ অস্তিত্বৰ প্ৰশ্ন গুৰুত্বপূৰ্ণ হ'ল। ফলত মোৰ দেশত নতুন নতুন সমস্যাৰ সৃষ্টি হ'ল। সমাধানৰ পথ বাছি লোৱা হ'ল—আন্দোলন। যাৰ চালিকা শক্তি হ'ল 'আবেগ'। লাহে লাহে গণতান্ত্ৰিক আন্দোলনবোৰৰ লগত সশস্ত্ৰ আন্দোলনো আহিল। অসম বন্ধ অসমীয়াৰ জীৱনৰ অংগ হৈ পৰিল। চান্দা সংস্কৃতিৰ আৰম্ভ হ'ল। হত্যা, অপহৰণ, লুণ্ঠন দৈনন্দিন ঘটনা হৈ পৰিল। উন্নয়নৰ সমবিতৰণ নোহোৱাত কাৰ্বি, বড়ো আদি জনগোষ্ঠীবোৰ বৃহৎ অসমীয়া সমাজৰপৰা আঁতৰি গ'ল। দিল্লীৰ শোষণৰ বিৰুদ্ধে চলা আন্দোলনে কেতিয়া ভ্ৰাতৃঘাতী আন্দোলনৰ ৰূপ ল'লে অসমীয়াই গমেই নাপালে। বৃহৎ অসমীয়া জাতিৰ শক্তিশালী অংগবোৰ পৃথক পৃথক হৈ পৰিল। তেওঁলোকে আত্মপৰিচয় আৰু আত্মনিয়ন্ত্ৰণৰ দাবী কৰিবলৈ আৰম্ভ কৰিলে। আজি পৰিৱেশ-পৰিস্থিতি এনে হ'ল যে 'অসমীয়া'ৰ সংজ্ঞা বিচাৰি পণ্ডিত সমাজৰ মেল আৰম্ভ হ'ল। কিন্তু কোনো সমস্যাৰ সমাধান আজিকোপতি নহ'ল। আন্দোলন চলি থাকিল। ই পেছালৈ ৰূপান্তৰিত হ'ল। ই বহুতৰ জীয়াই থকাৰ সম্বল হ'ল। জাতীয়তাবোধৰ চালিকা শক্তি হ'ল সুপৰিকল্পিত আঁচনি আৰু তাক কাৰ্য ৰূপায়ণৰ হেতু প্ৰয়োজনীয় জ্ঞান, কৌশল বা দক্ষতা তথা মনোভাব অৰ্জন কৰি কঠোৰ পৰিশ্ৰম কৰা। কিন্তু মোৰ দেশৰ আন্দোলন কৰি কৰি ভাৰাক্ৰান্ত হোৱা মধ্যবয়স্ক নেতৃত্ববোৰ দেখিলে মনে নকয় এওঁলোক কঠোৰ পৰিশ্ৰমৰ প্ৰতি আগ্ৰহী। বৰঞ্চ এওঁলোকৰ বহুজন হ'ল আবেগ বেচা সদাগৰ আৰু সাধাৰণ অসমীয়াসকল হ'ল বাৰে বাৰে এই আবেগৰ জুইত জাঁপ দিয়া চগা। মোৰ দেশৰ অসমীয়াসকল, ভাবি চাওক, অসম আন্দোলন, আলফাৰ আন্দোলন আৰু অতি শেহতীয়াকৈ জাতি-মাটি-ভেটিৰ শ্ল'গান দিয়া দলটোক ৰাজপাট অৰ্পণ কৰাটো আবেগৰ নামান্তৰ হয়নে নহয়? এই প্ৰতিটো আন্দোলনত আপুনি জাঁপ দি কি পালে আৰু কি হেৰুৱালে নিৰৱে বিচাৰ কৰক। সকলো পৰিষ্কাৰ হ'ব।

অসম আৰু অসমীয়া। এটা আনটোৰ পৰিপূৰক। শৰীৰ আৰু আত্মাৰ যি সম্পৰ্ক সেই একেই সম্পৰ্ক অসম আৰু অসমীয়াৰ। অসম আৰু অসমীয়া দুয়োটাই সতেজ সজাল হৈ থাকিলেহে আমি আগবাঢ়িব পাৰিম। তাৰ বাবে জাতীয়তাবাদী আন্দোলন লাগিব, কিন্তু সি হ'ব লাগিব আবেগৰহিত আৰু সুপৰিকল্পিত। আমাক দুই ধৰণৰ নেতৃত্ব লাগে—এক সুদৃঢ় জাতীয়তাবাদী ৰাজনৈতিক নেতৃত্ব আৰু দ্বিতীয়তে শিক্ষা, অৰ্থনীতি, সাহিত্য-সংস্কৃতি, ক্ৰীড়া আদি দিশত সুনেতৃত্ব দিয়া ব্যক্তি বা সংস্থা। ৰাস্তাৰ আন্দোলন নহয়, আমাৰ সকলো কৃষি পথাৰ ধানেৰে সেউজীয়া হৈ থকাৰ আন্দোলনহে লাগে। এসপ্তাহ বিহু পাতি আমাৰ ডেকা ল'ৰাই খেতিপথাৰলৈ যোৱা আন্দোলন লাগে। আমাৰ গাভৰুহঁতে ৰেছম-বয়ন, পাট-মুগা শিল্পক বিশ্ব দৰবাৰলৈ আগবঢ়াই নিয়াৰ আন্দোলন লাগে। ঘৰে ঘৰে আমাৰ ডেকা-ডেকেৰীসকলে ৰবি শস্যৰ উদ্যান গঢ়াৰ আন্দোলন লাগে। অসমীয়া ল'ৰা-ছোৱালীৰ মাজত উদ্যমিতা সৃষ্টিৰ হেতু প্ৰয়োজন হোৱা জ্ঞান, মনোভাব আৰু কৌশল প্ৰদানৰ বাবে শিক্ষা-প্ৰতিষ্ঠানবোৰত এটা আন্দোলন হ'ব লাগে। কেন্দ্ৰ বা ৰাজ্যত সিদ্ধান্ত গ্ৰহণত প্ৰত্যক্ষভাৱে জড়িত হ'বলৈ শ শ অসমীয়া অসামৰিক সেৱাৰ বিষয়া সৃষ্টিৰ বাবে প্ৰয়োজনীয় পৰিৱেশ আৰু সুবিধা অসমত সৃষ্টি কৰিব লাগে। বিজ্ঞান আৰু তথ্য-প্ৰযুক্তিৰ জৰিয়তে বিভিন্ন আৰ্থ-সামাজিক আন্দোলন গঢ়িব লাগে যাতে মানুহৰ মাজত নব্য অৰ্থনীতিৰ প্ৰতি সজাগতা, স্বাস্থ্য সচেতনতা, পৰিৱেশ সচেতনতা আদি বৃদ্ধি পায়। সকলো প্ৰতিষ্ঠানে নিজৰ সামাজিক দায়বদ্ধতাক প্ৰতিফলিত হোৱাকৈ উন্নয়নৰ কাৰ্যসূচী ল'ব লাগে। অতি আধুনিক অৰ্থনীতি আৰু সমাজ ব্যৱস্থাত খাপ খাবলৈ আৱশ্যকীয় যোগাযোগ আৰু উপস্থাপনৰ দক্ষতা, দলগতভাৱে কাম কৰাৰ দক্ষতা, সময় ব্যৱস্থাপনা, সমস্যা সমাধানৰ দক্ষতা, সমালোচনাত্মক আৰু প্ৰতিফলিত চিন্তাৰ দক্ষতা, সামাজিক আৰু আবেগিক বুদ্ধি আৰু নৈতিক তথা নীতিগত যুক্তিৰ সচেতনতা সকলো জাতীয়তাবাদী অসমীয়া সেনানীৰ মাজত গঢ় দিব লাগিব। লগতে সকলো অসমীয়াই আজি উপলব্ধি কৰিব লাগিব বৃহৎ অসমীয়া জাতিৰ বহুত্ববাদী স্বৰূপ আৰু সমূহীয়া একতাৰ প্ৰয়োজনীয়তাক।

ঠিকনা ঃ সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, হাউছফেড কমপ্লেক্স, দিছপুৰ লাষ্টগেট, দিছপুৰ, গুৱাহাটী-৭৮১০০৬, ফোন ঃ ৯৪৩৬৩৭৮৬৬৯